بِسْمِ اللّٰہِ الرَّحْمٰنِ الرَّحِیْمِ نَحْمَدُہٗ وَنُصَلِّیْ عَلٰی رَسُوْلِہِ الْکَرِیْمِ وَعَلٰی عَبْدِہِ الْمَسِیْحِ الْمَوْعُوْدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ৯৩ ছেপ্তেম্বৰত বৃটেইনৰ মজলিছ আনছাৰ উল্লাৰ ইজতেমা প্ৰাঙ্গনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে বদৰি চাহাবা সকলৰ বিষয়ে মই যি বৰ্ণনা ধাৰাবাহিক ভাৱে উল্লেখ কৰি আহিছো, সেয়া আজিৰ জুমাতও বৰ্ণনা কৰিম। কিন্তু ইয়াৰ আগতে আনছাৰ উল্লাহ সকলক এই এই ইজতেমা কৰি এয়াওঁ কয় যে - সেই চাহাবা সকল, যি সকলৰ মাজত আছিল আনছাৰ সকল আৰু মুহাজেৰিণ সকল। তেখেত সকলে যেতিয়া ইছলাম গ্ৰহন কৰিছিল, তেতিয়া নিজৰ মাজত এটা পাক পৰিবৰ্তন সাধন কৰিছিল আৰু আচৰিত জনক আদৰ্শ প্ৰদৰ্শন কৰিছল। তেখেত সকলে কেৱল কোৰবাণীৰ ক্ষেত্ৰতেই নহয় বৰং তাকওয়াৰ উচ্চ মান, আৰু একাগ্ৰতা আৰু আনুগত্যৰ ক্ষেত্ৰতও এটা অভিলেখ ৰচি থৈ গৈছে। বৰ্তমান আপোনালোকক যি সকলে ইয়াত উপস্থিত আছে, তাৰ মাজত আনছাৰও আছে মুহাজেৰিনও আছে। সেয়া আপোনালোকে নিজকে নিজে বিবেকৰ তুলাচনীৰে জুখি চাওঁক যে আমাৰ সন্মুখত যি আদৰ্শ স্থাপন কৰা আছে, তাৰ ওপৰত আমি কিমান দূৰ আমল কৰিছো আৰু চলিছো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে - মই এতিয়া উল্লেখ কৰিবলৈ লোৱা প্ৰথমজন চাহাবী হল হজৰত নুমান বিন উমৰু (ৰাঃ)। তেখতৰ নাম নওয়েমান বুলিও উল্লেখ আছে। হজৰত নওয়েমান (ৰাঃ) বয়াত উকবা ছানিয়াত সত্তৰ আনছাৰৰ সৈতে অংশ গ্ৰহন কৰিছিল। এটা ৰোৱায়েতত উল্লেখ আছে যে ৰছুলে কৰিম (ছাঃ) য়ে কৈছিল নওয়েমানৰ নিমিত্তে ভালৰ বাহিৰে একো নকওঁ কাৰণ তেওঁ আল্লাহ আৰু তাৰ ৰছুলৰ প্ৰতি অগাধ প্ৰেম ৰাখে। হজৰত নওয়েমান (ৰাঃ) হজৰত আমিৰ মুৱাবিয়াত শাসন কালত চন ৬০ হিজৰিত মৃত্যুবৰণ কৰিছিল।

হজৰত নওয়েমান (ৰাঃ)ৰ বিষয়ে উল্লেখ আছে যে, এখেত বৰ ৰসৰাজ আৰু কৌতুক প্ৰিয় লোক আছিল। নবী কৰিম (ছাঃ)য়েও এখেতৰ কথা শুনি আনন্দ লভিছিল। ৰবিয়া বিন উচমানৰ পৰা বৰ্ণিত আছে যে এবাৰ এজন বেদুইন লোক আঁহজৰত (ছাঃ)ৰ ওচৰত আহিছিল আৰু মছজিদত প্ৰবেশ কৰি তেওঁ তাৰ উট দুৱাৰ ডলিত বান্ধি থৈছিল। এনেতে কেইজনমান চাহাবাই হজৰত নওয়েমানক কৈছিল যে - যদি তুমি এই উটটো জবাই কৰি দিলাহেতেঁন তেন্তে আমি ইয়াৰ মাংস খালোহেতেঁন কাৰণ আমাৰ বৰ মাংস খাবলৈ মন গৈছে। ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত যেতিয়া অভিযোগ উত্থাপিত হব তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে ইয়াৰ জৰিমণা আদায় কৰি দিব। ৰাৱী কৈছে যে হজৰত নওয়েমান (ৰাঃ)য়ে তেওঁলোকৰ কথা শুনি উটটো জবাই কৰি দিছিল। যেতিয়া বেদুইন লোকজনে বাহিৰলৈ আহি নিজৰ উটৰ অৱস্থা দেখিছিল তেতিয়া চিঞৰি চিঞৰি কৈছিল যে হে মহম্মদ (ছাঃ) মোৰ উট জবাই কৰি পেলাইছে। নবী কৰিম (ছাঃ) বাহিৰলৈ ওলাই আহি চাইছিল আৰু সুধিছিল যে এই কাম কোনে কৰিছে? লোকে কৈছিল যে এয়া নুমান কৰিছে। তেতিয়া তেখেত (ছাঃ)য়ে নুমানক বিচাৰি ওলাইছে। নুমান (ৰাঃ)য়ে সেই ঠাইৰ পৰা গুচি আহি কৰবাত লুকাইছিল। মুঠতে নবী কৰিম (ছাঃ)য়ে তেখেতক বিচাৰি বিচাৰি গৈ হজৰত জবাব বিনতে জাবিৰ বিন আব্দুল মুত্তালিবৰ ঘৰত পলাই থকা পাইছিল। তেখেত (ছাঃ)য়ে নুমান (ৰাঃ)ক তাৰ পৰা উলিয়াই আনিছিল আৰু সুধিছিল যে তুমি এনেকুৱা কাম কিয় কৰিছা? তেতিয়া নুমান (ৰাঃ)য়ে কৈছিল যে ইয়া ৰছুলুল্লাহ ! মানুহে আপোনাক মোৰ বিষয়ে জনাইছে যে মই উটটো জবাই কৰিছো, তেওঁলোকে মোক উচটনি দিছিল আৰু মোক কৈছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে পিছত ইয়াৰ জৰিমনা দিব। এয়া শুনি ৰছুলুল্লাহ (ছাঃ)য়ে নুমানৰ গাত হাত ৰাখিছিল আৰু মিচিকিয়াই হাহিঁ দিছিল। পিছত তেখেত (ছাঃ)য়ে বেদুইনজনক তাৰ উটৰ দাম দি দিছিল জাবিৰ বিন বকাৰ নিজৰ কিতাপ "আল ফুকাহা ওয়াল মজহাব"ত হজৰত নুমানৰ এটা ঘটনা বৰ্ণনা কৰেঁতে লিখিছে যে মদিনাত যেতিয়া কোনো ফেৰিওয়ালা আহিছিল তেতিয়া হজৰত নুমান (ৰাঃ)য়ে তাৰ পৰা কিবা নহয় কিবা বস্তু কিনিছিল আৰু ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত গৈ হাজিৰ হৈছিল আৰু আবেদন কৰিছিল যে আপোনালৈ মোৰ ফালৰ পৰা এয়া উপহাৰ ! কিন্তু যেতিয়া ফেৰিওয়ালাজনে হজৰত নুমানক বস্তুটোৰ দাম বিচাৰিছিল তেতিয়া তেখেতে ফেৰিওয়ালা জনক নবী (ছাঃ)ৰ ওচৰলৈ লৈ গৈছিল আৰু আবেদন

কৰিছিল যে ফেৰিওৱালা জনক নবী (ছাঃ)ৰ ওচৰলৈ লৈ গৈছিল আৰু আবেদন কৰিছিল যে ফেৰিওৱালাক তাৰ মালৰ দাম দিব লাগে। তেতিয়া তেখেত (ছাঃ)য়ে সুধিছিল যে কিয় ! তুমি মোক উপহাৰ হিচাপে দিয়া নাই নে ? তেতিয়া হজৰত নুমান (ৰাঃ)য়ে কৈছিল- ইয়া ৰছুলুল্লাহ ! আল্লাহৰ কছম ! মোৰ ওচৰত এই বস্তুৰ দাম দিবলৈ টকা নাই। মোৰ আনন্দ হল এয়া যে যদি এয়া খোৱাৰ বস্তু হয় তেন্তে আপুনি এয়া খাওঁক আৰু যদি ৰখাৰ বস্তু হয় তেন্তে ৰাখক। এয়া শুনি তেখেত (ছাঃ)য়ে হাহিঁছিল আৰু সেই বস্তুৰ মালিকক তাৰ বস্তুৰ দাম দিবলৈ নিৰ্দেশ দিছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে - এনেধৰণৰ আচৰিত ভাল পোৱা  আৰু কৌতুকৰ বৈঠক অনুষ্ঠিত হৈছিল। এয়া কেৱল ৰসাল আমেজহীন বৈঠক হোৱৰা নাছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে দ্বিতীয় জন চাহাবী হল, যাৰ বিষয়ে এতিয়া উল্লেখ কৰিম, তেখেতৰ নাম হল হজৰত খাবিব বিন আছাফ (ৰাঃ) হজৰত খাবিব (ৰাঃ) আনছাৰ কবিলা খজৰজৰ এটা শাখা বণু জুশাম গোত্ৰৰ লোক আছিল। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ মৃত্যুৰ পিছত হজৰত খাবিব (ৰাঃ)য়ে তেখেতৰ বেওয়া বিনতে খাজৰাৰ সৈতে বিয়া পাতিছিল। হজৰত খাবিব (ৰাঃ) অৱশ্য মদিনালৈ হিজৰত কৰি অহাৰ সময়ত মুহাজেৰিণ সকলৰ আলপৈচান ধৰাৰ সৌভাগ্য হৈছিল। হজৰত তালহা বিন আব্দুল্লাহ আৰু হজৰত চহিব বিন ছুনান (ৰাঃ)য়ে এখেতৰ ঘৰত থাকিছিল। এনেদৰে এটা ৰোৱায়েত অনুসৰি হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে যেতিয়া মদিনালৈ হিজৰত কৰি গৈছিল; তেখেত (ৰাঃ)য়ে কোবাৰ ছুনাআ নামক স্থানক থকা খাবিব (ৰাঃ)ৰ ঘৰত থাকিছিল। এখেত (ৰাঃ)য়ে বদৰৰ যুদ্ধৰ উপৰিও অহুদ, খন্দক আদিকৰি সকলো যুদ্ধত ৰছুলুল্লাহ (ছাঃ)ৰ লগত যোগেদি ৰণত নামিছিল। আন এটা ৰোৱায়েতত উল্লেখ আছে যে হজৰত খাবিব (ৰাঃ)ৰ মদিনাত নিজৰ ঘৰ থকা সত্বেও তেখেতে আগতে ইছলাম গ্ৰহন কৰা নাছিল। যেতিয়া আঁহজৰত (ছাঃ)য়ে বদৰৰ যুদ্ধলৈ যাত্ৰা কৰিছিল তেতিয়া খাবিব (ৰাঃ)য়ে বাটতে গৈ আঁহজৰত (ছাঃ)ক লগ ধৰিছিল আৰু ইছলাম গ্ৰহন কৰিছিল।

হাদীছ ছহী মুছলিমত হজৰত খাবিব (ৰাঃ)ৰ ইছলাম গ্ৰহনৰ ঘটনা এনেদৰে উল্লেখ আছে। হজৰত আয়েশা ছিদ্দিকা (ৰাঃ) বৰ্ণনা কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে বদৰৰ যাত্ৰা কৰিছিল, যেতিয়া তেখেত (ছাঃ)য়ে গৈ হৰামাইল আঁতৰত অৱস্থিত তেতিয়া তেখেত (ছাঃ)য়ে এজন ব্যাক্তিক লগ পাইছিল, যাৰ সাহস আৰু বীৰত্ব সম্পৰ্কে উল্লেখ কৰা হয়। ৰছুলুল্লাহ (ছাঃ)ৰ চাহাবা সকলে যেতিয়া সেই ব্যাক্তিজনক দেখিছিল, বৰ আনন্দিত হৈছিল। সেই ব্যাক্তিজনে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত হাজিৰ হৈ আবেদন জনাইছিল যে মই আপোনাৰ লগত যাবলৈ আৰু আপোনাৰ লগত যুদ্ধ লব্দ সামগ্ৰী(মালে গণিমত)ৰ অংশ পোৱাৰ আশাত আহিছো। তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে তেওঁক সুধিছিল যে তুমি আল্লাহ আৰু তাৰ ৰছুলৰ ওপৰত ঈমান স্থাপন কৰিছানে ? ব্যাক্তিজনে উত্তৰ দিছিল নহয় মই ইমান অনা নাই। এই শুনি তেখেত (ছাঃ)য়ে কৈছিল যে তুমি উভতি যোৱা, কাৰণ মই কোনো মুশৰিকৰ সহায় নলওঁ। হজৰত খাবিব (ৰাঃ)য়ে সেই কথা শুনি তাৰ পৰা আতঁৰি গৈছিল। আকৌ যেতিয়া আঁহজৰত (ছাঃ)য়ে শজৰা নামক স্থানত গৈ উপস্থিত হৈছিল, যি ঠাইখন মদিনাৰ পৰা ছয়, সাত মাইল মান দূৰত অৱস্থিত; তেতিয়া এই ব্যাক্তিজনে আঁহজৰত (ছাঃ)ক লগ ধৰিছিল আৰু আগৰ দৰেই প্ৰস্তাৱ ৰাখিছিল। নবী কৰিম (ছাঃ)য়েও আগৰ দৰেই লোক জনক কৈছিল। এইবাৰও লোক জনে আঁতৰি পৰিছিল। আকৌ সেই ব্যাক্তিজনে বায়জা নামক স্থানত গৈ আঁহজৰত (ছাঃ) ক লগ ধৰিছিল। তেতিয়া তেখেত (ছাঃ) য়ে সুধিছিল যে তুমি আল্লাহ আৰু তাৰ ৰছুলৰ ওপৰত ঈমান আনিছানে ? তেতিয়া সেই লোকজনে কৈছিল "হয়"। তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে লোকজনক কৈছিল, বলা এতিয়া তুমি আমাৰ লগত যাব পাৰিবা।

বদৰৰ যুদ্ধত হজৰত খবিৰ বিন আছাফ (ৰাঃ) য়ে মক্কাৰ কুৰাইছ নেতা উমিয়া বিন খালফক বধ কৰিছিল। এই ঘটনা বৰ্ণাওতে আল্লামা নুৰুদ্দিন জালিয়া নিজৰ এখন কিতাপ "ছিৰাতুন হালবিয়া" ত লিখিছে যে হজৰত আব্দুৰ ৰহমান বিন আউফ (ৰাঃ) ৰ পৰা বৰ্ণিত আছে তেখেতে খৈছে যে বদৰৰ ময়দানত মই উমিয়া বিন খালফক লগ পাইছিলো। তেঁও জাহিলিয়াতৰ যুগত মোৰ বন্ধু আছিল। উমিয়াৰ লগত তাৰ পুত্ৰ আলিও আছিল। হজৰত আব্দুৰ ৰহমান (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে মোৰ ওচৰত কেইটামান সোনৰ বস্তু আছিল, যিবিলাক মই লগত লৈ গৈছিলো। যেতিয়া মোক উমিয়া দেখা পাইছিল তেতিয়া তেঁও মোক মাতিছিল। উমিয়া মোক কৈছিল যে যদি তোমাৰ ওচৰত মোৰ কোনো হক আছে তেন্তে মই তোমাৰ নিমিত্তে সেই সোনৰ বস্তুতকৈ উত্তম, যি তোমাৰ ওচৰত আছে। মই তেঁওক কৈছিলো ঠিক আছে আৰু মই সেই সোনৰ বস্তু কেইটা তলত ৰাখি উমিয়া াৰু তাৰ পুতেক আলিৰ হাতত ধৰিছিলো। তেতিয়া উমিয়া কৈছিল যে - মই জীৱনত কেতিয়াো এনেকুৱা দিন দেখা

নাছিলো, যি আজি বদৰৰ ময়দানত দেখিলো। আকৌ তেঁও সুধিছিল যে তোমালোকৰ মাজত সেইজন কোন হয়, সৌৱা যিজনে বুকুৰ ওপৰত কবচত উট পক্ষীৰ ডেউকা লগাই লৈছে ? মই কৈছিলো তেঁও হল হামজা বিন আব্দুল মোত্তালিব। তেতিয়া উমিয়া কৈছিল যে এই সকলো সমস্যা তেঁওৰ বাবেই হৈছে । তেঁওৰ বাবেই আজি আমাৰ এই অৱস্থা হল। হজৰত আব্দুৰ ৰহমান বিন আউফ (ৰাঃ) য়ে কৈছে যে ইয়াৰ পিছত মই সিঁহত দুজনক লৈ গৈ আছিলো, এনেতে হজৰত বিলাল (ৰাঃ) য়ে উমিয়াক মোৰ লগত যোৱা দেখা পাইছিল। মক্কাত থকা কালীন উমিয়া হজৰত বিলাল (ৰাঃ) ক ইছলাম ত্যাগ কৰাবলৈ বৰ শাস্তি দিছিল।হজৰত বিলাল (ৰাঃ) য়ে উমিয়াক দেখা পোৱা মাত্রেই চিঞৰি চিঞৰি কৈছিল যে কোফিৰ সকলৰ চৰদাৰ উমিয়া বিন খালফ ইয়াতে আছে। যদি আজি এওঁ বাচি যায় তেন্তে ধৰি লোৱা মই জীয়াই থকা নাই। হজৰত আব্দুৰ ৰহমান বিন আউফ (ৰাঃ) য়ে কৈছে যে মই বিলালৰ কথা শুনি কৈছিলো যে তুমি মোৰ কয়েদি সকলৰ বিষয়ে এনেদৰে কিয় কৈছা। হজৰত বিলাল (ৰাঃ) য়ে উচ্চস্বৰে চিঞৰিছিল যে হে আল্লাহৰ আনছাৰ ! এঁও কাফিৰ সকলৰ চৰদাৰ উমিয়া বিন খালফ, যদি এঁও আজি বাছি যায় তেন্তে জানিবা মই বাছি থকা নাই। হজৰত আব্দুৰ ৰহমান বিন আউফ কৈছে যে - হজৰত বিলালৰ কথা শুনি আনছাৰ সকলে দৌৰি আহি মোক চাৰিও ফালেৰে ঘেৰাও কৰিছিল আৰু হজৰত বিলাল (ৰাঃ) য়ে তৰোৱালৰ হতুৰাই উমিয়াৰ পুতেকৰ ওপৰত আক্ৰমন চলাইছিল , যাৰ ফলত তেঁও তলত পৰি গৈছিল। সেয়া দেখি উমিয়া ভয়তে এনেকুৱা চিঞৰ মাৰিছিল যে তেনেকুৱা চিঞৰ মই কেতিয়াও শুনা নাছিল। ইয়াৰ পিছত আনছাৰ সকলে তৰোৱালেৰে সিঁহত দুজনক কাটি পেলাইছিল।

উমিয়াক আনছাৰ কবিলা বনু মুৰাজিনৰ এজন লোকে হত্যা কৰিছিল। ইবনে হিশাখ কৈছে যে উমিয়াক হজৰত মুৰাজ বিন আফৰা খাৰজা বিন জায়েদ আৰু খবিব বিন আছাফ, দুয়োজনে মিলি হত্যা কৰিছিল। এয়াও উল্লেখ আছে যে হজৰত বিলাল (ৰাঃ) য়ে তেঁওক বধ কৰিছিল। মুঠতে প্ৰকৃত কথা হল তাত উপস্থিত থকা সকলো চাহাবাই উমিয়াৰ হত্যা কাণ্ডত জড়িত আছিল। উমিয়াৰ পুতেক আলিক হজৰত বিলাল (ৰাঃ) য়ে আক্ৰমন কৰি বগৰাইছিল। পিছত তাক হজৰত উম্মাৰ বিন ইয়াছিৰ (ৰাঃ) য়ে বধ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে কিছুমান ঘটনাৰ বৰ্ণানাৰ লগত কোনো চাহাবৰ সম্পৰ্ক নেথাকিলেও তাত সেই চাহাবাৰ বিষয়ে উল্লেখ কৰা হয় কাৰণ যাতে ইতিহাসৰ বিষয়ে আমি যানি লব পাৰো।

খবিৰ বিন আব্দুৰ ৰহমান বৰ্ণনা কৰিছে যে মোৰ ককা দাউতা হজৰত খবিৰ (ৰাঃ) য়ে বদৰৰ যুদ্ধত আঘাত প্ৰাপ্ত হৈছিল।যত তাৰ কামিহাড় ভাঙি গৈছিল। আহজৰত (ছাঃ) য়ে সেই আঘাত প্ৰাপ্ত স্থানত নিজৰ মুখৰ লালবীজ লগাই দিছিল। যাৰ ফলত হজৰত খবিৰ (ৰাঃ) য়ে চলি ফুৰিব পাৰিছিল। আন এটা ৰোৱায়েত আছে যে হজৰত খবিৰ (ৰাঃ) য়ে বৰ্ণনা কৰিছে এখন যুদ্ধত মোৰ কান্ধত বেয়াকৈ আঘাত পাইছিলো, যি মোৰ পেটলৈকে চুই গৈছিল, যাৰ ফলত মোৰ হাত উলখি পৰিছিল। মই লগে লগে ৰছুলুল্লাহ (ছাঃ) ৰ ওচৰত গৈ উপস্থিত হৈছিলো তেতিয়া তেখেত (ছাঃ) য়ে ক্ষত স্থানত নিজৰ মুখৰ লালাবীজ লগাই দিছিল আৰু সেয়া যোৰ দি দিছিল। যাৰ ফলত মোৰ ক্ষত ভাল হৈ গৈছিল ।

হজৰত উমৰ (ৰাঃ) ৰ খিলাফত কালত হজৰত খবিব (ৰাঃ) ৰ মৃত্যু হৈছিল। আন এটা ৰোৱায়াত অনুসৰি হজৰত উচমান (ৰাঃ) ৰ খিলাফত কালত হজৰত খবিব (ৰাঃ) ৰ মৃত্যু হৈছিল। আল্লাহ তায়লা সেই সকল চাহাবৰ মৰ্যদা উন্নিত কৰক।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এতিয়া মই তিনিজন মৰহুমিনৰ বিষয়ে আলোচনা কৰিম আৰু নামাজে জুমাৰ পিছত তেঁওলোকৰ নামাজে জানাজা পঢ়া হব। এওঁলোকৰ মাজত প্ৰথম জনী হল মহতৰমা ৰাশিদা বেগম চাহিবা, পত্নী মকৰম ছৈয়দ মহম্মদ ছৰুৰ চাহাব (ৰাবওয়া) এখেতৰ ২০১৯ চনৰ ২৪ আগষ্টত ৭৪ বছৰ বয়সত মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। মৰহুমাৰ বংশত তাইৰ ককাদেউতা মকৰম ফতেহ মহম্মদ চাহাবৰ জৰিয়তে আহমদীয়তৰ প্ৰৱেশ ঘটিছিল।ফতেহ চাহাব কাদিয়ানত গৈ হজৰত মছিহ মাউদ (আঃ) ৰ চাহাবি হজৰত কাজি মহম্মদ আকবৰ চাহাবৰ জৰিয়তে বয়াত কৰিছিল। মৰহুম কাজি চাহাবে ১৮৯৪ চনত সংগঠিত হোৱা চন্দ্ৰ আৰু সূৰ্য্য গ্ৰহণ পৰিলক্ষিত কৰি নিজৰ বংশধৰ আৰু অঞ্চলৰ লোকসকলক কৈছিল যে এই নিদৰ্শনৰ পৰা অনুমান কৰিব পাৰি যে ঈমাম মাহদী (আঃ) ৰ আঘমন ঘটিছে। তেখতৰ এজন পুতেক মহম্মদ জাকাৰিয়া চাহাব ( মোবাল্লিগ ছিলছিলা লাইবেৰিয়া ) কৈছে যে মোৰ দেউতাকে নিয়মিত চান্দা আদায় দিছিল আৰু চিন্তা কৰিছিল, সুধিছিল মই মোৰ চান্দা আদায় দিছো নে নাই। ইয়াৰ ওপৰিও তেখেত লৰা, ছোৱালীৰ

তৰবিয়তৰ বিষয়ত বৰ চিন্তিত থাকিছিল। খিলাফতৰ সৈতে পিৰগাৰ প্ৰেম আৰু আনুগত্য ৰাখিছিল আৰু বৰ মনযোগেৰে খুতবা শুনিছিল আৰু পয়েণ্টবোৰ লিখি লৈছিল আৰু লৰা, ছোৱালীক সেইবোৰ শিক্ষা দিছিল।আল্লাহ তায়লা মৰহুমৰ মৰ্যদা উন্নীত কৰক।

দ্বিতীয় জানাজা হল মহতৰম মহম্মদ স্বমশেৰ খান চাহাব ( সদৰ জমাত নানদি ফজি) ৰ জানাজা। ২০১৯ চনৰ ৫ চেপ্তেম্বৰত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না আলায়হি ৰাজিওন। ১৯৬২ চনৰ এখেতে নিজৰ দেউতাকৰ লগত লাহোৰ জমাতত আহি বয়াত কৰি জামাতৰ অন্তৰ্ভূক্ত হৈছিল। মৰহুম এক দীৰ্ঘকাল ধৰি আঁল্লাহৰ কৃপাত জমাতি সেৱাত ব্ৰতী আছিল। জমাত আহমদীয়া সাৰু, ছুৱা, নানদি আৰু লটুকাত মজমিদ নিৰ্মানৰ ক্ষেত্ৰত এখেত মৰহুমৰ বিশেষ ভূমিকা আছে। ২০১০ চনৰ পৰা মৃত্যুৰ সময় লৈকে মৰহুম নানদি জামাতৰ সদৰ হিচাপে খিদমত কৰিছিল। আল্লাহ তায়লা মৰহুমৰ ওপৰত ক্ষমাৰ আচৰন প্ৰদৰ্শন কৰক।

তৃতীয় জানাজা হল মহতৰমা ফাতিমা মহম্মদ মোস্তোফা চাহিবাৰ জানাজা(এখেত কিৰদিস্থান নাৰভৰেৰ বাসিন্দা আছিল)। ২০১৯ চনৰ ১৩ জুনত ৮৮ বছৰ বয়সত মহতৰমা ফাতিমাৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। তাই ২০১৪ চনত বয়াত গ্ৰহণ কৰিছিল। তাইৰ জীয়েকে কৈছে যে মোৰ মাকে যদিও অশিক্ষিত আছিল তথাপি কোৰ-আন কৰিমৰ বহুত কেইটা আয়াত আৰু হাদীছ মুখস্ত ৰাখিছিল। সময় মতে নামাজ পঢ়াটো তেখেতৰ জীৱনৰ গুৰুত্বপূৰ্ণ কাম আছিল। এনেদৰে ৰোজাও ৰাখিছিল। তেখেতে সদায় কৈছিল মই সেই সকলৰ বাবে ৰোজা ৰাখো যি সকলে ৰোজা ৰাখিবৰ শক্তি নাৰাখে বা নাপায়। মানুহক সহায় কৰিবলৈ বৰ আগ্ৰহী আছিল। মাজে সময়ে পঞ্চাছি মাইল অতিক্ৰম কৰি সেই মহিলা সকলৰ লগত চিকিৎসা কৰোবাৱালৈ কোনো নাছিল ।ৰু তেঁওলোকক আৰ্থিক সাহাৰ্য্য দিছিল।

আল্লাহ তায়লা মৰহুমৰ প্ৰতি ক্ষমা আৰু দয়া বৰ্ষণ কৰক। তাইৰ জীয়েকৰ ঈমান দৃঢ় ৰাখক। বাকী যিসকলে এতিয়াও আহমদী হোৱা নাই তেঁওলোকক আল্লাহ তায়লা হৃদয়ৰ দুৱাৰ খুলি দিয়ক। মৰহুমৰ দোৱা এওঁলোকৰ নিমিত্তে কবুল কৰক। মৰহুমৰ মৰ্যদা উন্নীত কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 9 August. 2019**

| To |
| --- |
| ---------------------------------------------------------------------------- <br> ---------------------------------------------------------------------------- |

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844